# পানীত বাপ্তিস্ম

## নোহ আৰু আনবিলাক আজ্ঞাপালনকাৰী বিশ্বাসৰ আৰ্হি

**প্ৰাৰ্থনা ঃ** "হে পিতৃ, আপোনালৈ চপাই লোৱা আৰু আমাৰ মণ্ডলীক গতাই দিয়া সকলক বাপ্তিস্মৰ দ্বাৰাই গ্ৰহণ কৰিবলৈ আমাক সহায় কৰক। আটাই বিশ্বাসীসকলে পাপত মৰি আৰু বাপ্তিস্মৰ দ্বাৰাই এক নতুন, পবিত্ৰ, অনন্তকলীয়া জীৱনলৈ উঠে, যিদৰে আপোনাৰ বাক্যত আমাক পৰামৰ্শ দিছে।"

১। **প্ৰাৰ্থনা আৰু ঈশ্বৰৰ বাক্যৰ দ্বাৰাই আপোনাৰ অন্তৰ প্ৰস্তুত কৰক।**

**মথি ৩ অধ্যায়ত চাওক ঃ**

- কি প্ৰকাৰৰ মানুহক বাপ্তিস্মৰ প্ৰয়োজন, ১-৬ পদ। *(উত্তৰ ঃ বেয়া মানুহ)*
- তেওঁলোক বাপ্তিস্ম পাবলৈ উপযুক্ত বুলি ভবা ধাৰ্ম্মিক লোকবিলাকক যোহনে কি বুলি কৈছিল *(উত্তৰ ঃ ৭ পদ)।*
- তেওঁৰ প্ৰয়োজন নথকা স্বত্বেও, যীচুৱে কিয় বাপ্তিস্ম লৈছিল। *(উত্তৰ ঃ ১৩-১৫, সকলো ধাৰ্ম্মিকতা সিদ্ধ কৰিবলৈ।)*



- যীচুৰ পুনৰুত্থানক পিতৰে নোহৰ জাহাজৰ লগত তুলনা কৰিছিল *(১ পিতৰ ৩ঃ১৮-২২)।*
- অৱশ্যে এখন ডাঙৰ নাও অথবা এখন উৰাজাহাজে আমাক স্বৰ্গলৈ নিব নোৱাৰে। যিদৰে নোহ আৰু তেওঁৰ পৰিয়াল অতীজৰ জাহাজত ৰক্ষা পৰিল, ঈশ্বৰে আমাক স্বৰ্গত নতুন জীৱনলৈ তুলে কাৰণ আমি যীচুৰ পুনৰুত্থানৰ শৰীৰ।

**ৰোমীয়া ৬ঃ১-১৪ পদত চাওক ঃ**

- ঈশ্বৰে আমাক কিহত মৰিবলৈ কৈছে ঃ
- যেতিয়া আমি পাপত মৰোঁ আমি বাপ্তিস্মত কাৰ লগত মৈদামত থোৱা হওঁ?
- যীচুৰ লগত মৈদামত থোৱা হলে, আমি কেনেকৈ তেওঁৰ লগত এক হম?
- তেওঁৰ পুনৰুত্থানত তেওঁৰ লগত এক হোৱা আগেয়ে, যীচুৰ লগত কি ক্ৰুচত দিয়া হল?
- আমাৰ পুৰণি পুৰুষ, পাপ-প্ৰকৃতি খ্ৰীষ্টৰ লগত ক্ৰুচত দিয়া পিছত, ৬ঃ১৪ পদৰ মতে আমি আমাৰ সকলো অঙ্গ-প্ৰত্যঙ্গবোৰ কি সঁজুলি ৰূপে ঈশ্বৰলৈ উৎসৰ্গ কৰিম?

**মথি ২৮ঃ১৮-২৮ পদত চাওক।** তেওঁ স্বৰ্গলৈ উঠা আগেয়ে খ্ৰীষ্টৰ অন্তিম মহান আজ্ঞা ঃ

- শিষ্য কৰিবলৈ, তেওঁৰ শিষ্যবিলাকক কি কৰিবলৈ যীচুৱে কৈছিল। *(উত্তৰ ঃ পিতৃ, পুত্ৰ আৰু পবিত্ৰ আত্মাৰ নামেৰে তেওঁবিলাকক বাপ্তাইজ কৰা, আৰু তেওঁৰ আদেশবোৰ পালন কৰিবলৈ শিক্ষা দিয়া।)*
- নতুন বিশ্বাসী সকলক আমি কাৰ ক্ষমতাৰে বাপ্তাইজ কৰোঁ? *(উত্তৰ ঃ ১৮ পদ, যীচুৰ ক্ষমতাৰে।)*
- কোন বিশেষ জাতীয় লোকক আমি শিষ্য কৰিব লাগে? *(উত্তৰ ঃ ১৯ পদ, সকলো জাতিকে।)*

**পাঁচনিৰ কৰ্ম্ম ২ঃ৩৭-৪৭ পদত চাওক ঃ**

- তেওঁৰ বাক্য গ্ৰহন কৰাত, লোকবিলাকক কি কৰিবলৈ পিতৰে কলে। *(উত্তৰ ঃ ৩৭-৩৮ পদ।)*
- মন পালন কৰি বাপ্তাইজিত হোৱা লোকবিলাকক পিতৰে দুটা আশীৰ্ব্বাদৰ প্ৰতিজ্ঞা কৰিলে *(উত্তৰ ঃ ৩৮ পদ)*
- খ্ৰীষ্টক গ্ৰহন কৰা লোকবিলাকক কিমান সোনকালে পাঁচনিবিলাকে বাপ্তিষ্ম দিলে আৰু মণ্ডলীভুক্ত কৰিলে *(উত্তৰ ৪১-৪২ পদ)*
- নতুনকৈ বাপ্তাইজিত হোৱা লোকবিলাকে তৎক্ষনাত কি কৰিবলৈ ধৰিলে *(উত্তৰ ঃ ৪২ পদ)*

**পাঁচনিৰ কৰ্ম্ম ১৬ঃ১৩-৪০ পদত চাওঁক**

- দুজন লোকৰ পৰিয়ালে যীচুক বিশ্বাস কৰাত তেওঁলোকৰ লগ লাগিল আৰু বাপ্তাইজিত হল। *(উত্তৰঃ ১৩-১৫ আৰু ২৫-৩১)।*
- যীচুক সহাঁৰি জনোৱা পৰিয়ালৰ এগৰাকী ব্যক্তিক কিয় আমি তৎক্ষনাত লগ পাবলৈ চেষ্টা কৰোঁ। *(উত্তৰ ঃ ৩১ পদ। আৰু, পাঁচনিৰ কৰ্ম্ম ১৮ ঃ ৮ পদত আন এটা উদাহৰণ আছে, এটা পৰিয়ালৰ আটাইবিলাক একেলগে বাপ্তিষ্ম লোৱা।)*

২। **সপ্তাহটোৰ কামবোৰৰ আঁচনি সহ-কৰ্ম্মী সকলৰ লগত কৰক।**

ব্যৱস্থা কৰক, নতুন বিশ্বাসীসকলক বাপ্তিষ্ম দিবলৈ যিবিলাকে যীচুক বিশ্বাস কৰি এনেদৰে আশীৰ্ব্বাদ পোৱা নাই।

পৰিদৰ্শন কৰক, নতুন বিশ্বাসীবিলাকক, যিবিলাকে বাপ্তিষ্মৰ প্ৰয়োজন বুজি নাপায়। ব্যাখা কৰক আৰু তেওঁলোকৰ বাপ্তিষ্মৰ ব্যৱস্থা কৰক।

লোকবিলাকক আপুনি শুভবাৰ্ত্তা দিলে, ব্যাখা কৰক যে তেওঁলোকে পুৰনি বিশ্বাস আৰু জীৱনৰ পৰা ঘূৰি খ্ৰীষ্টত নতুনকৈ জন্ম লব লাগিব। বাপ্তিষ্মৰ বাবে অকনো পলম নকৰাকৈ তেওঁলোকৰ বিশ্বাস আৰু মনপালটন সমৰ্থন কৰক। তেওঁলোকৰ লগত আপুনি নতুন মণ্ডলী আৰম্ভ কৰিব পাৰে।

সমাজৰ আগত বাপ্তিষ্ম দিয়া বিপদজনক হলে, ফিলিপে কূচ-দেশীয় নপুসংকক (পাঁচনিৰ কৰ্ম্ম ৮ঃ২৭-৪০) আৰু পৌলে ফিলিপীৰ দাৰোগা আৰু তেওঁৰ পৰিয়ালক গোপনে বাপ্তিষ্ম দিয়াৰ দৰে কৰক (পাঁচনিৰ কৰ্ম্ম ১৬ঃ২৯-৩৪)।

তেওঁলোকৰ বাপ্তিষ্মৰ সময়ত কোনো কোনো লোকে তেওঁলোকৰ নাম সলনি কৰিব ইচ্ছা কৰে।

৩। **হবলগীয়া উপাসনা সময়ৰ আঁচনি কৰক।**

বৰ্ত্তমানৰ প্ৰয়োজন আৰু থলুৱা ৰীতি-নিয়মত খাপ খুউৱা কামবোৰ বাচি লওক।

ব্যাখা কৰক যে আমি যীচুৰ বাধ্য হোৱা উচিত, যিদৰে জাহাজখন বনাওঁতে নোহ ঈশ্বৰৰ বাধ্য আছিল (১ম খণ্ড চাওক)।

নোহৰ কাহিনীটো চমুকৈ পুনৰালোচনা কৰক, আদিপুস্তক ৬-৯অধ্যায়।

**বৰ্ণনা কৰক,** যীচুৰ পুনৰুত্থান শৰীৰ কিদৰে জাহাজখনৰ লগত মিলে।

বয়সীয়া সকলৰ বাবে যুগুত কৰা নোহৰ নাটখন লৰা ছোৱালীক পৰিবেশন কৰিবলৈ দিয়ক। বয়সীয়া সকলক সুধিবলৈ সিহঁতে হয়তো প্ৰশ্নবোৰ যুগুত কৰিছে।

ৰোমীয়া ৬ঃ১-১৪ পদৰ পৰা ব্যাখা কৰক যে বাপ্তিষ্মত আমি যীচুৰ লগত মৰি নতুন জীৱনলৈ উঠো (১ম খণ্ড চাওক)।

মথি ৩ অধ্যায়ৰ পৰা যোহন বাপ্তাইজকৰ বিষয়ে ব্যাখা কৰক (১ম খণ্ড চাওক)।

- কিছুমান ধৰ্ম্ম পৰায়ণ লোকক যোহনে বাপ্তিষ্ম দিবলৈ অমান্তি হৈছিল, কিন্তু অতি অসৎ লোকবিলাকক বাপ্তিষ্ম দিছিল।
- যীচুক কিয় বাপ্তিষ্ম দিয়া হৈছিল।

বৰ্ণনা কৰক, শিষ্য কিদৰে কৰিবলৈ যীচুৱে কৈছিল, **মথি ২৮ঃ১৮-২০** (১ম খণ্ড চাওক)।

বৰ্ণনা কৰক, পৰিত্ৰান বিচৰা লোকক পিতৰে কি কৰিবলৈ কৈছিল, পাঁচনিৰ কৰ্ম্ম ২ঃ৩৭-৪১ (১ম খণ্ড চাওক)।

বৰ্ণনা কৰক, আটাই পৰিয়ালক কিদৰে পাঁচনিবিলাকে বাপ্তিষ্ম দিছিল, পাঁচনিৰ কৰ্ম্ম ১৬ঃ৩১, আৰু যীচুক সঁহাৰি জনোৱা পৰিয়ালৰ ব্যক্তিক আমি কিয় তৎক্ষণাত লগ ধৰা চেষ্টা কৰা উচিত (১ম খণ্ড)।

প্ৰভুৰ ভোজ স্থাপন কৰিবলৈ আদিপুস্তক ৮ঃ১৪-২২ পঢ়ক, আৰু ব্যাখা কৰক যে নোহৰ নতুন জগত আৰম্ভ হৈছিল, এক নিৰ্দ্দোষ বলিৰ তেজ উৎসৰ্গৰ দ্বাৰাই। ক্ৰুচত যীচুৰ উৎসৰ্গই এই প্ৰয়োজন অনন্তকালৰ নিমিত্তে পৰিপূৰ্ণ কৰিলে।

**মুখস্থ কৰক ঃ পাঁচনিৰ কৰ্ম্ম ২ঃ৩৮।**

২ ৰাজাৱলি ৫ অধ্যায়ৰ পৰা অৰামীয়া ৰজাৰ প্ৰধান সেনাপতি নামানৰ কাহিনীটো কওক অথবা নাট কৰক।

- ঈশ্বৰৰ বাধ্য হবলৈ তেওঁ কেনেকৈ শিকিলে কওক।
- ব্যাখা কৰক যে কেনেকৈ যৰ্দ্দন নদীৰ পানীৰ দ্বাৰাই নামানৰ কুষ্ঠৰোগ শুচি হোৱা নাছিল, তেনেকৈ বাপ্তিষ্মৰ পানীয়ে আমাৰ পাপবোৰ ধুই নিকা নকৰে। ঈশ্বৰে হে এনে কৰে।

Copyright 2004 © by Paul-Timothy. May be freely copied. Download from www.Paul-Timothy.net